

# হান্দুক

## এক অন্তহীন অপেক্ষাৰ বিষাদ গাথা

হান্দুক— এটি মৰাণ ভাষাত ব্যৱহৃত শব্দ। এই শব্দটিয়ে দুটি অৰ্থ বহন কৰে। অতি প্ৰত্যন্ত অঞ্চল অথবা কেঁচা মাটিৰ ঘৰৰ পোহৰৰ স্পৰ্শ নপৰা অন্ধকাৰ চুক বা কোণটি। পোহৰে স্পৰ্শ কৰিব নোৱাৰা সেই চুকটিৰ স্তিমিত আশাক, স্তূপীকৃত হৈ থকা বেদনাক, মৰ্মস্পৰ্শী জীৱন গাথাক চলচ্চিত্ৰৰ মাধ্যমেৰে জগতবাসীক পৰিচয় কৰি দিবলৈ প্ৰয়াস কৰিছিল এগৰাকী যুৱকে। নাম জয়চেং জয় দহোটীয়া। অতি অমায়িক তথা অত্যন্ত প্ৰতিভাশালী এই যুৱকগৰাকী আজি সকলোৰে এটি পৰিচিত নাম। প্ৰথমখন কাহিনী চিত্ৰ 'হান্দুক'ৰেই জগত জিনিছে জয়চেং জয় দহোটীয়াই। 'হান্দুক' প্ৰদৰ্শিত হৈছে অলেখ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত। উচ্চ প্ৰশংসিত হৈছে জুৰী-দৰ্শক-সমালোচকৰ দ্বাৰা। জোলোঙাত সোমাইছেহি কেইবাটাও বঁটা-বাহন। অতি সম্প্ৰতি সপ্তম ৰাজ্যিক চলচ্চিত্ৰ বঁটা আৰু চলচ্চিত্ৰ মহোৎসৱত 'হান্দুক' ছবিখনক শ্ৰেষ্ঠতম ছবিৰ সন্মানেৰে সন্মানিত কৰা হৈছে। জয়চেং জয় দহোটীয়াক ৰীমা দাসৰ সৈতে যুটীয়াভাৱে প্ৰদান কৰা হৈছে শ্ৰেষ্ঠ পৰিচালকৰ বঁটাও। খবৰৰ সৈতে এইগৰাকী পৰিচালকৰ হোৱা এটি চমু কথোপকথন পাঠকলৈ আগবঢ়োৱা হ'ল।



**খবৰ ঃ** প্ৰথমেই আপোনাৰ এই বৰ্ণময় চলচ্চিত্ৰ পৰিক্ৰমা তথা আপোনাৰ সাফল্যৰ বাবে খবৰৰ পৰিয়ালৰ পৰা আপোনাক অভিনন্দন।

**জয়চেং ঃ** ধন্যবাদ।

**খবৰ ঃ** প্ৰথমে আহোঁ ছবিখনৰ নামকৰণক লৈ। 'হান্দুক' কিয়?

**জয়চেং ঃ** হান্দুক শব্দটিৰে মই কাৎচি পোহৰৰ ৰেশ দেখা ঘৰৰ সেই আন্ধাৰ চুকটিক প্ৰতীকী ৰূপত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। ছবিৰ কাহিনীভাগ আৱৰ্তিত হৈছে সশস্ত্ৰ বিপ্লৱী সংগঠন আলফাক লৈ। ছবিখনে দুটি সময়ক প্ৰতিনিধিত্ব কৰিছে। এটি ৯০ৰ দশকৰ সন্ত্ৰাসজৰ্জৰ অসম, আনটি চলিত সময়ছোৱাৰ একাংশ। আলফাৰ সেই দীৰ্ঘদিনীয়া বিপ্লৱৰ অন্তত কোনে কি পালে, কোনে কি হেৰুৱালে যেতিয়াই বিশ্লেষণ কৰি চাব বিচৰা হ'ল তেতিয়াই দেখা গ'ল যে বহু হৃদয়স্পৰ্শী কাহিনী যেন আন্ধাৰ চুকটিক কোনেও নজনাকৈ পৰি ৰৈছে অলেখ অভিমান লৈ। সেই সৰু সৰু মানুহবোৰৰ মৰ্মস্পৰ্শী চুকটোৰ কিছু অকথিত কথাছবিৰ জৰিয়তে তুলি ধৰাৰ আমাৰ



আছিল এক ক্ষুদ্ৰ প্ৰয়াস। আৰু সেইয়াই 'হান্দুক'।

**খবৰ ঃ** 'হান্দুক' ছবিখনত অসমীয়া আৰু মৰাণ দুয়োটি ভাষাকে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ অন্তৰালত থকা কাৰণ কি?

**জয়চেং ঃ** এক বাস্তৱ ঘটনাক জুমুঠি হিচাপে লৈ 'হান্দুক ' ছবিৰ কাহিনী নিৰ্মাণ হৈছিল। সেয়ে

**— জিতুমণি পাঠক**


*আমি সচেষ্ট আছিলো যে ছবিত যেন সেই জীয়া বাস্তৱ সঠিক ৰূপত প্ৰতিফলিত হয়। ছবিখনৰ লোকেচন ঠিক কৰাৰ সময়ত এই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিলো যাতে যি ঠাইত দৃশ্যগ্ৰহণ কৰা হ'ব তাৰ মানুহে আলফাৰ উত্থান-পতনৰ এক জীৱন্ত সাক্ষী হয়। তেনে এক মানসিকতাৰে নিৰ্বাচন কৰি উলিওৱা হৈছিল মৰাণ অধ্যুষিত এক অঞ্চল। যিহেতু এই অঞ্চলৰ মানুহবোৰে অসমীয়া আৰু মৰাণ দুয়োটা ভাষাৰে কথা কয় সেয়ে ছবিখন বাস্তৱধৰ্মী কৰি তুলিবলৈ সেই কথিত ৰূপটোক আমি ছবিখনত ব্যৱহাৰ কৰিছিলো।*

চকুত পৰা নাই।

দ্বিতীয়তে,আমাৰ ছবিৰ ক্ষেত্ৰত যি কোৱা হৈছে যে এইয়া তথ্যচিত্ৰ নে কাহিনীচিত্ৰ বহু সময়ত বুজাটো কঠিন, তাৰো এক ইতিবাচক দিশ আছে। কাহিনী বৰ্ণনৰ এই ধাৰাটিয়ে ছবিখনক অধিক বাস্তৱৰ কাষ চপাই নিবলৈ সক্ষম হয়। এনেধৰণৰ ছবিয়ে দৰ্শকৰ সৈতে সহজ একাত্মবোধ এটা গঢ়ি তোলাত সহায় কৰিব পাৰে। আমাৰ ছবিৰ কাহিনীভাগ যিহেতু বাস্তৱৰ কোনো এটা মুহূৰ্ত তথা ঘটনাপ্ৰৱাহৰ সৈতে সংপৃক্ত, সেয়েহে এনে এটি ফলপ্ৰসূ কথনৰে আমি দৰ্শকৰ কাষ চাপি যাবলৈ প্ৰয়াস কৰিছো।

**খবৰ ঃ** আমি আৰু এটা কথা লক্ষ্য কৰিছো যে আপোনাৰ ছবিখন সম্পূৰ্ণ অপেছাদাৰী অভিনয় শিল্পীৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে। ইয়াৰ কাৰণ অৰ্থনৈতিক নে আৰু অন্য কিছু কাৰকে প্ৰভাৱ বিস্তাৰ কৰিছে?

**জয়চেং ঃ** 'হান্দুক'ৰ বাবে অপেছাদাৰী অভিনয় শিল্পীসকলৰ নিৰ্বাচন কৰাৰ কাৰণটো সম্পূৰ্ণ সুকীয়া। যেতিয়াৰ পৰা ছবিৰ কাহিনীভাগ নিৰ্মাণ হৈছিল তেতিয়াৰে পৰা মই মূল চৰিত্ৰটিৰ



**খবৰ ঃ** এতিয়া আহোঁ আপোনাৰ ছবিৰ ধাৰাক লৈ। 'হান্দুক' চাই বহুতে ক'ব বিচাৰিছে যে অসমীয়া চলচ্চিত্ৰত আপুনি এক নতুন ধাৰাৰ আৰম্ভণি ঘটালে। কিছুৱে এনে প্ৰশ্নও উত্থাপন কৰিছে যে বহু সময়ত আপোনাৰ ছবি তথ্যচিত্ৰ নে কাহিনীচিত্ৰ সেয়া বুজাত কঠিন হৈ পৰে। এই সম্পৰ্কে আপুনি কি ক'ব।

**জয়চেং ঃ** 'হান্দুক' ছবিখনৰ ধাৰাক লৈ যি কথা আলোচিত হৈছে প্ৰকৃততে বিশ্বত সেই ধাৰাৰ কিছু ছবি ইতিমধ্যে নিৰ্মিত হৈছে। ভাৰত তথা অসমেহে এইক্ষেত্ৰত এতিয়াও পিছ পৰি ৰৈছে। ভাৰততো তেনে ছবি নিৰ্মাণ হৈছে যদিও তাৰ সংখ্যা একেবাৰে নগণ্য। অৱশ্যে অসমত এই ধাৰাক অনুকৰণ কৰি ছবি নিৰ্মাণ কৰা আমাৰ


বাবে এনে এগৰাকী অভিনয় শিল্পীৰ সন্ধানত আছিলো যিয়ে এক সন্ত্ৰাসজৰ্জৰ অসমৰ প্ৰতিগৰাকী মাতৃৰ এক প্ৰতীকী হৈ ধৰা দিয়ে; যাৰ মুখমণ্ডলত পৰিস্ফুট হৈ উঠে প্ৰতিগৰাকী অসহায় মাতৃৰ বুকুৰ ভিতৰৰ হাহাকাৰকণ। প্ৰায় দুবছৰ ধৰি মই সেই মুখখন বিচাৰি আছিলো। অৱশেষত বান্দে চেতিয়াক যিদিনাখন লগ পাইছিলো সিদিনাখনে মোৰ অনুসন্ধানৰো অন্ত পৰিছিল। বান্দে চেতিয়াই জীৱনত কেমেৰাৰ সন্মুখীন হোৱাটো দূৰৰেই কথা কেতিয়াও ক'তো এক মুহূৰ্তৰ বাবেও কোনোধৰণৰ অভিনয় কৰা নাছিল। ছবিখনত বান্দে চেতিয়াৰ চৰিত্ৰটি আছিল সম্পূৰ্ণৰূপে সংলাপবিহীন। কিন্তু তেওঁৰ মুখত ফুটি উঠিছিল যি অন্তহীন প্ৰতীক্ষাৰ এক ছবি সি



নিঃশব্দতাকো মুখৰিত কৰি তুলিছিল।

**খবৰ ঃ** 'হান্দুক'ক আপুনি মানুহৰ মাজলৈ যিদৰে উলিয়াই দিম বুলি ভাবিছিল আমি ভাবো আপুনি সেই ক্ষেত্ৰত সম্পূৰ্ণৰূপে সফল হৈছে। আমি জনাত আপোনাৰ এই ছবি বহু ঠাইত প্ৰদৰ্শিত হোৱাৰ লগতে বহুসংখ্যক বঁটা-বাহনো লাভ কৰিবলৈ সক্ষম হৈছে। এই বিষয়ে অকণমান জনাওকচোন।

**জয়চেং ঃ** 'হান্দুক' ছবিখন এতিয়ালৈ কুৰিতকৈ অধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছে। দেশৰ বাহিৰত বুলিবলৈ হ'লে আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স, ছাউথ আফ্ৰিকা আদিৰ কিছু চলচ্চিত্ৰ মহোৎসৱত হান্দুকে অংশগ্ৰহণ কৰাৰ লগতে পুৰস্কাৰ লাভ কৰিবলৈও সক্ষম হৈছে। এই ছবিয়ে শ্ৰেষ্ঠ ছবিৰ দুটাকৈ বঁটা বুটলিবলৈ সক্ষম হৈছে। আমোকো দুবাৰকৈ শ্ৰেষ্ঠ পৰিচালকৰ সন্মানৰে সন্মানিত কৰা হৈছে। ইয়াৰ উপৰি 'বেষ্ট এছিয়ান



ফিল্ম'ৰ বঁটাটি আমাৰ 'হান্দুক' পৰিয়ালৰ এক বিশেষ প্ৰাপ্তি বুলি ক'ব পাৰি। এতিয়ালৈ বিভিন্ন ক্ষেত্ৰত ছবিখনে মুঠ ১৫টি বঁটা পাবলৈ সক্ষম হৈছে।

**খবৰ ঃ** এয়া নিঃসন্দেহে আপোনাৰ উৎকৃষ্ট কৰ্মৰ প্ৰতি দেখুওৱা প্ৰাপ্য সন্মান। অনাগত দিনবোৰে আপোনালৈ আৰু অধিক সাফল্য কঢ়িয়াই আনক তাকেই কামনা কৰিছো।

**জয়চেং ঃ** ধন্যবাদ।

জয়চেং জয় দহোটীয়া নামৰ এই প্ৰতিভাশালী যুৱ পৰিচালকগৰাকীৰ চলচ্চিত্ৰ মাধ্যমটিৰ প্ৰতি যি শ্ৰদ্ধা আৰু উৎসৰ্গিত মনোভাব সিয়েই তেওঁক এদিন সফলতাৰ উচ্চতম শিখৰলৈ যে লৈ যাব তাত কোনো সন্দেহ নাই। 'হান্দুক'ৰ আলোচনা প্ৰসংগতে জয়চেং জয় দহোটীয়াৰ শিল্পীৰ প্ৰতি থকা এক দায়বদ্ধতাৰ কথা উল্লেখ কৰাটো সমীচীন হ'ব। 'হান্দুক'ৰ মূল চৰিত্ৰটিত অভিনয় কৰা বান্দে চেতিয়া নামৰ মহিলাগৰাকী অতি শোচনীয় আৰ্থিক অৱস্থাৰে দিন ব্যতিত কৰি আছিল। অসুস্থ পতিৰ সৈতে এটি অতি জৰাজীৰ্ণ ঘৰত দিন অতিবাহিত কৰা যাঠীৰ উৰ্ধ্বৰ এই মহিলাগৰাকীয়ে ইমান এক সুন্দৰ অভিনয়ৰে দেশ-বিদেশৰ দৰ্শকৰ মন জয় কৰাৰ পাছতো আনৰ ঘৰত কাম-বন কৰি জীৱন নিৰ্বাহ কৰিছিল। বিশ্বৰ বিভিন্ন প্ৰান্তত যাৰ অভিনয় সমাদৃত হৈছে তেনে এগৰাকী শিল্পীৰ শোচনীয় অৱস্থা সঁচাকৈয়ে মৰ্মন্তুদ। এই কথাই ব্যথিত কৰা জয়চেং জয় দহোটীয়াই নিজৰ ফেচবুক পেজৰ জৰিয়তে বান্দে চেতিয়ালৈ সহায়ৰ হাত আগবঢ়াবলৈ সকলোলৈ আহ্বান জনায়। ইয়াৰ পাছতহে প্ৰিণ্ট বা ইলেক্ট্ৰনিক মিডিয়াই বান্দে চেতিয়াৰ দুৰ্দশাক লৈ বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰে। সেই আবেদনৰ পাছত অৱশ্যে সামান্য ৰাজসাহায্য বান্দে চেতিয়াই লাভ কৰাৰ প্ৰতিশ্ৰুতি পাইছে। দুখ-দুৰ্দশাৰ ছবি এখন্ কেৱল চেলুলয়ডতে সীমাবদ্ধ নাৰাখি বাস্তৱ জীৱনতো তাক অনুধাৱন কৰিবলৈ প্ৰয়াস কৰা জয়চেং জয় দহোটীয়া নামৰ এই তৰুণ প্ৰজন্মৰ পৰিচালকগৰাকী নিঃসন্দেহে প্ৰশংসাৰ যোগ্য। আমাৰ তৰফৰ পৰা তেওঁৰ সন্মুখৰ পথটি অধিক সোণোৱালী হৈ উঠক তাৰ শুভকামনা থাকিল।

*ফোন ঃ ৯৮৫৪০-১৮১১৭*